**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দুখন নিৰ্বাচনী সভাত ভাগ লয়। **ধেমাজিৰ গোগামুখত** প্ৰথমখন নিৰ্বাচনী সভাত দিয়া ভাষণত শ্ৰীমোদীয়ে বিজেপিৰ বাবে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ কল্যাণ অগ্ৰাধিকাৰৰ বিষয় বুলি মন্তব্য কৰে। তেওঁ দলটোৱে সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য সেৱাত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে বুলিও দাবী কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে মৰিগাঁৱৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠাৰ লগে লগে ৰাজ্যখনে ছেমিকণ্ডাক্টৰ চিপৰ বাবেও স্বীকৃতি লাভ কৰিব বুলি নিৰ্বাচনী সভাত মন্তব্য কৰে। **বিশ্বনাথ**ৰ বিহালীত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীমোদীয়ে বিজেপিয়ে আত্মনিৰ্ভৰ অসম গঢ়াৰ পৰিকল্পনাৰে কাম কৰি আছে বুলি দাবী কৰে। প্ৰধানমন্ত্ৰীগৰাকী অহা ৬ এপ্ৰিলত মৰাণ, বৰপেটাৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

দলটোৰ হৈ প্ৰচাৰ চলাবলৈ আজি জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। শ্ৰীশ্বাহে আজি বিয়লি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ মিছা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন নিৰ্বাচনী সভাত ভাগ ল'ব। ইয়াৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত থকা ৰাজ্যিক অতিথিশালাত নিশাটো কটাব। শ্ৰীশ্বাহে কাইলৈ পুৱা গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰী জিলাৰ ৰাটিয়াদহাৰ মেলা ময়দানত আয়োজিত আন এখন প্ৰচাৰ সভাত অংশ ল'ব।

ইয়াৰ পাছত শ্ৰীশ্বাহে কাইলৈ দিনৰ ভাগত দুধনৈ বিধানসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত গোৱালপাৰা জিলাৰ দুধনৈত আৰু বিয়লি পলাশবাৰী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন দুখন নিৰ্বাচনী সভাত ভাষণ দিব।

প্ৰধান বিৰোধী দল কংগ্ৰেছেও ব্যাপক নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰা দেখা গৈছে। দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ কালি নাজিৰা, খোৱাং আৰু টিংখাঙত প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। খোৱাঙত বিৰোধী নেত্ৰীগৰাকীৰ সৈতে অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ অখিল গগৈয়ে বিৰোধী ঐক্যমঞ্চৰ হৈ প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়েও আজি বিৰোধী ঐক্যমঞ্চৰ হৈ বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব। এদিনীয়া কাৰ্যসূচীৰে ৰাজ্যলৈ আহিবলগীয়া লোকসভাৰ বিৰোধী দলপতিগৰাকীয়ে ডিমাপুৰ বিমানবন্দৰত পুৱাৰ ভাগতে অৱতৰণ কৰি কাৰ্বি আংলং জিলাৰ বোকাজানত উপস্থিত হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে জানিবলৈ দিছে। ইয়াৰ পাছত বিয়লি নেতাগৰাকীয়ে তিতাবৰত উজনি অসমৰ ভোটাৰসকলক উদ্দেশ্য কৰি এখন প্ৰচাৰ সভাত অংশ ল'ব।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়েও  কালি টংলা বিধানসভা সমষ্টিৰ টংলা উচ্চতৰ মাধ্যমিক খেলপথাৰত বিজয় সংকল্প সভাত অংশ লয়। তেওঁ লগতে গোৰেশ্বৰ বিধানসভা সমষ্টিৰ শুক্লাই ষ্টেডিয়াম আৰু টিহু বিধানসভা সমষ্টিৰ বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খেলপথাৰত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে।

নলবাৰী সমষ্টিত বিজেপিৰ জ্যেষ্ঠ নেতা জয়ন্ত মল্লবৰুৱাৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী অশোক শৰ্মাই ব্যাপক প্ৰচাৰ চলায়। বাক্সা জিলাৰ শিমলাত ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে ইউ পি পি এল দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। জিলাখনৰ ভকুৱামাৰীত এ আই ইউ ডি এফৰ মুৰববী বদৰুদ্দিন আজমলে প্ৰচাৰ অভিযানত অংশ লয়। বজালী জিলাত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী দিলীপ বৰুৱাৰ লগতে এন ডি এৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়েও প্ৰচাৰ চলাইছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীত থকা বাসগৃহত কালি সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পশ্চিম এছিয়াৰ সাম্প্ৰতিক সংঘাতৰ সময়ত বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে জটিল সময়ত জনসাধাৰণৰ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ উপলব্ধতাৰ খতিয়ান লয়। তেওঁ লগতে খাৰিফ আৰু ৰবি শস্যৰ বাবে দেশত সাৰৰ উপলব্ধতা নিশ্চিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয়। জনসাধাৰণক বৰ্তমানৰ সংঘাতৰ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবেও শ্ৰী মোদীয়ে সংশ্লিষ্টসকললৈ নিৰ্দেশ দিয়ে। বৈঠকত কৃষি, সাৰ, জাহাজ তথা বিমান পৰিবহণ আদি ক্ষেত্ৰসমূহৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। কালিৰ বৈঠকত কেবিনেট সচিবে পেট্ৰ'লিয়ামজাত সামগ্ৰী, বিশেষকৈ এল পি জি আৰু এল এন জিৰ যোগান শৃংখল নিশ্চিত কৰিবলৈ হাতত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়েও প্ৰধানমন্ত্ৰীক অৱগত কৰে।

বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই দেশত ইন্ধনৰ যোগান নিয়মীয়া কৰি ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে।

**বাইট (পি এম)**

**সমাপ্ত**